**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। সেনা বাহিনীৰ সিন্দূৰ অভিযানত পাকিস্তানৰ বাহাৱালপুৰৰ মাৰ্কাছ্ ছুভান আল্লা, মাৰ্কাছ্ টাইবা মুৰিদ্‌কে আৰু মেহমুনা জয়া তথা শিয়ালকোটৰ সৰ্জল সন্ত্ৰাসবাদী শিবিৰ ধবংস হয়।

২। বিৰোধী পক্ষকে ধৰি সকলো ৰাজনৈতিক দলৰ নেতাই সৈন্য বাহিনীৰ সিন্দূৰ অভিযানৰ প্ৰশংসা কৰিছে।

৩। জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ গাঁওসমূহত পাকিস্তানৰ সেনা বাহিনীয়ে চলোৱা নিৰ্বিচাৰ আক্ৰমণত ৯ গৰাকী অসামৰিক লোক নিহত হোৱাৰ লগতে ৪১ গৰাকী লোক আহত হয়।

৪। সেনা বাহিনীৰ সিন্দূৰ অভিযানৰ পৰিপ্ৰেক্ষিতত কেইবাখনো ঘৰুৱা বিমানৰ যাত্ৰা বাতিল কৰা হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি থকা ৯ টা স্থানত মাজনিশা ১ বাজি ৫ মিনিটৰ পৰা ডেৰ বজাৰ ভিতৰত আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে। পাকিস্তানৰ বাহাৱালপুৰৰ মাৰ্কাছ্ ছুভান আল্লা, মাৰ্কাছ্ টাইবা মুৰিদ্‌কে আৰু মেহমুনা জয়া তথা শিয়ালকোটৰ সৰ্জল সন্ত্ৰাসবাদী শিবিৰত সেনা বাহিনীয়ে আক্ৰমণ চলায়। পাকিস্তান অধিকৃত জম্মু কাশ্মীৰৰ ছাৱাইনালা, মুজফ্‌ফৰবাদৰ চৈয়দ না বিলাল, কোটলি গুলপুৰ, বিম্বাৰ আৰু কোটলি আববাছৰ সন্ত্ৰাসবাদী শিবিৰো ধবংস কৰা হয়। নতুন দিল্লীত আজি এই অভিযানৰ সবিশেষ তথ্য প্ৰকাশ কৰি সেনাৰ কৰ্ণেল ছ'ফিয়া কুৰেচি আৰু বায়ুসেনাৰ ৱিং কমাণ্ডাৰ ব্যমিকা সিঙে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ভুক্তভোগীসকলক ন্যায় দিয়াৰ বাবে অপাৰেচন সিন্দূৰ আৰম্ভ কৰা হয় বুলি প্ৰকাশ কৰে। যোৱা তিনি দশক ধৰি পাকিস্তানে পাকিস্তান অধিকৃত কাশ্মীৰকে ধৰি দেশখনৰ বিভিন্ন প্ৰান্তত সন্ত্ৰাসবাদী প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ পৰা আদি কৰি বিভিন্ন ধৰণে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি আহিছে। এই আক্ৰমণত কোনো পাকিস্তানী সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা হোৱা নাই বুলি তেওঁলোকে প্ৰকাশ কৰে।

ভৱিষ্যতে পাকিস্তানে চলাব পৰা যিকোনো অভিযানৰ প্ৰত্যুত্তৰ দিবলৈ সেনা বাহিনী সাজু হৈ আছে। বিশ্বাসযোগ্য তথ্য তথা সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত হৈ থকাৰ ওপৰত ভিত্তি কৰি সন্ত্ৰাসবাদী শিবিৰসমূহ চিনাক্ত কৰা হৈছে বুলি সেনাৰ কৰ্ণেল ছ'ফিয়া কুৰেচিয়ে সদৰি কৰে। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কয় যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ অনুসন্ধানৰ জৰিয়তে সন্ত্ৰাসবাদীৰ সৈতে পাকিস্তানৰ সম্পৰ্কৰ বিভিন্ন দিশ উন্মুক্ত হৈ উঠিছে। দেশৰ অনুসন্ধানকাৰী সংস্থাসমূহৰ পৰ্যবেক্ষণৰ জৰিয়তে প্ৰকাশিত তথ্যই দেশত ভৱিষ্যতে পুনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সম্ভাৱনা প্ৰকট কৰিছে। শ্ৰী মিশ্ৰীয়ে কয়, যে জম্মু-কাশ্মীৰৰ পৰ্যটন খণ্ডত ঋণাত্মক প্ৰভাৱ পেলোৱা তথা অঞ্চলটোকে ধৰি সমগ্ৰ দেশত সাম্প্ৰদায়িক অস্থিৰতা সৃষ্টি কৰাৰ উদ্দেশ্যে

পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ চলোৱা হৈছিল। ৰেচিষ্টেঞ্চ ফ্ৰণ্ট নামৰ এটা সন্ত্ৰাসবাদী গোটে পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা বুলি উল্লেখ কৰি শ্ৰী মিশ্ৰীয়ে কয়, যে লস্কৰ-ই-তৈবাৰ সৈতে এই গোটৰ সম্পৰ্ক আছে। তদুপৰি এই আক্ৰমণৰ সৈতে পাকিস্তান জড়িত থকাৰ প্ৰমাণো পোৱা গৈছে। পেহেলগাম আক্ৰমণৰ অন্তৰালৰ ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰ কৰাটো আৱশ্যকীয় বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

ৰাজনৈতিক মতাদৰ্শ নিৰ্বিশেষে বিভিন্ন দলৰ নেতাই সেনা বাহিনীৰ সিন্দূৰ অভিযানক প্ৰশংসা কৰিছে। পেহেলগামৰ নিৰিহ নাগৰিকসকলৰ পাশৱিক হত্যাৰ প্ৰত্যুত্তৰত দেশে সিন্দূৰ অভিযান চলোৱা বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সদৰি কৰিছে। দেশ তথা ইয়াৰ জনসাধাৰণৰ ওপৰত চলোৱা যিকোনো আক্ৰমণৰ প্ৰত্যুত্তৰ দিবলৈ মোদী চৰকাৰ সাজু বুলি তেওঁ কয়। সন্ত্ৰাসবাদক সমুলি নাশ কৰাৰ বাবে দেশ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও সেনা বাহিনীৰ প্ৰশংসা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰে কয়, যে বিশ্বই সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি প্ৰদৰ্শন কৰা উচিত। বিজেপিৰ সভাপতি জে পি নাড্ডাই কয়, যে সন্ত্ৰাসবাদ সমুলি নাশ কৰাৰ বাবে ভাৰতৰ সামৰ্থ আছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও সেনা বাহিনীৰ এই অভিযানৰ প্ৰশংসা কৰে। বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমৰ জৰিয়তে সেনা বাহিনীৰ এই কাৰ্যত গৌৰৱান্বিত বুলি প্ৰকাশ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ পৰা সমুলঞ্চে সন্ত্ৰাসবাদ নিপাত কৰাৰ বাবে দেশৰ বিশেষ নীতি আছে বুলি প্ৰকাশ কৰে। সেনা বাহিনীৰ এই অভিযানৰ বাবে গৌৰৱ প্ৰকাশ কৰি তেওঁ কয়, যে সন্ত্ৰাসবাদ নিৰ্মূলৰ এই যুঁজত ভাৰতীয় জাতীয় কংগ্ৰেছ, চৰকাৰ তথা সেনা বাহিনীৰ সৈতে থিয় দিছে। ডি এম কেৰ মুৰববী তথা তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনেও সেনা বাহিনীলৈ সমৰ্থন ব্যক্ত কৰে। টি ডি পিৰ মুৰববী তথা অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু, টি এম চিৰ মুৰববী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, সমাজবাদী পাৰ্টী অখিলেশ যাদৱ, আৰ জে ডিৰ তেজস্বী যাদৱ তথা বিজেডিৰ সভাপতি নবীন পাটনায়কেও সেনা বাহিনীলৈ অভিবাদন জনায়। আম আদমি পাৰ্টীৰ অৰবিন্দ কেজৰিৱালে কয়, যে সেনা বাহিনীৰ ওপৰত দেশৰ নাগৰিকৰ আস্থা আছে। জে ডি ইউৰ জ্যেষ্ঠ নেতা তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কয়, যে সমগ্ৰ দেশ সন্ত্ৰাসবাদৰ বিৰুদ্ধে থিয় দিছে। ইজৰাইলেও সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ অপাৰেচন সিন্দূৰ অভিযানৰ প্ৰশংসা কৰিছে। ভাৰতত থকা ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিউৱেন আজাৰে কয়, যে ভাৰতৰ আত্মৰক্ষাৰ অধিকাৰৰ প্ৰতি ইজৰাইলৰ সমৰ্থন আছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাৰ ৰাষ্ট্ৰদূত আজাৰে কয়, যে নিৰীহ লোকৰ বিৰুদ্ধে ভয়ানক আক্ৰমণ সংঘটিত কৰা সন্ত্ৰাসবাদীয়ে জনা উচিত যে সিহঁতৰ লুকাবলৈ কোনো ঠাই নাই।

০০০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্হা তথা মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ সৈতে নিৰাপত্তা ব্যৱস্থা সন্দৰ্ভত মত বিনিময় কৰে। শ্ৰী শ্বাহে সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধানক সীমান্ত অঞ্চলৰ বাসিন্দাসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। অসামৰিক লোকৰ নিৰাপত্তা আৰু সুৰক্ষাক চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি তেওঁ সদৰি কৰে। তেওঁ লগতে অৰ্ধ সামৰিক বাহিনীৰ মুৰববীসকলক ছুটীত থকা বিষয়া তথা জোৱানসকলক শীঘ্ৰেই কামত যোগদানৰ নিৰ্দেশ দিবলৈ কয়।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ গাঁওসমূহত পাকিস্তানৰ সেনা বাহিনীয়ে চলোৱা নিৰ্বিচাৰ আক্ৰমণত ৯ গৰাকী অসামৰিক লোক নিহত হোৱাৰ লগতে ৪১ গৰাকী লোক আহত হয়। ভাৰতীয় সেনা বাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ ৯ টা স্থানত মিছাইল আক্ৰমণ চলোৱাৰ ঠিক পাছতে পাকিস্তানী সেনা বাহিনীয়ে প্ৰত্যাক্ৰমণ আৰম্ভ কৰে। তাৰ পাছত ভাৰতীয় সেনাইও ধাৰাসাৰ গুলীচালনা কৰাত শত্ৰুপক্ষৰ বহু সৈন্য হতাহত হয়। পাকিস্তানে চলোৱা নিৰ্বিচাৰ গুলীচালনাৰ ফলত সীমান্তৰ বাসিন্দাসকলৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হয়। সীমান্তৰ বাসিন্দাসকলক মাটিৰ তলৰ বাংকাৰত আশ্ৰয় গ্ৰহণ কৰিবলৈ কোৱা হৈছিল তথা নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছিল। পুঞ্চ, বালাকোট, মেন্ধাৰ, মানকোট, কৃষ্ণঘাটি, গুলপুৰ, কেৰ্নিৰ সমীপৰ নিয়ন্ত্ৰণ ৰেখাৰ সিপাৰৰ পৰা চলা গুলীচালনাৰ ফলত বহু বাসগৃহ ক্ষতিগ্ৰস্ত হয়। বাৰামুল্লা জিলাৰ উৰিত ৫ টি শিশুকে ধৰি ১০ গৰাকী লোক আহত হয়।

ooooooooo

সেনা বাহিনীৰ সিন্দূৰ অভিযানৰ পৰিপ্ৰেক্ষিতত কেইবাখনো ঘৰুৱা বিমানৰ যাত্ৰা বাতিল কৰা হৈছে। এয়াৰ ইণ্ডিয়াই সদৰি কৰা অনুসৰি জম্মু, শ্ৰীনগৰ, লেহ, যোধপুৰ, অমৃতসৰ, ভূজ, জামনগৰ, চণ্ডীগড় আৰু ৰাজকোটৰ পৰা অহা আৰু যোৱা সকলো বিমানৰ যাত্ৰা অহা ১০ মে'লৈ বাতিল কৰা হৈছে। বিমান পৰিবহণ কৰ্তৃপক্ষৰ বিমান বন্দৰ বন্ধ ৰখাৰ নিৰ্দেশনা অনুসৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সময়ছোৱাত যাত্ৰা বাতিল হোৱা যাত্ৰীসকলক আন এটা দিনত যাত্ৰা কৰাৰ সুবিধা দিয়া হ'ব অথবা সম্পূৰ্ণ ধন ওভতাই দিয়াৰ বিকল্প সুবিধা প্ৰদান কৰা হ'ব। ইন্দিগ'ৱেও শ্ৰীনগৰ, জম্মু, অমৃতসৰ, লেহ, চণ্ডীগড়, ধৰমশালা, বিকানেৰ আৰু যোধপুৰলৈ অহা-যোৱা সকলো বিমানৰ যাত্ৰা বাতিল কৰা হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে দক্ষতা বিকাশৰ বাবে ৫ টা ৰাষ্ট্ৰীয় উৎকৰ্ষতা কেন্দ্ৰ স্থাপন তথা উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় আঁচনিৰ উন্নীতকৰণত অনুমোদন জনায়। দক্ষতা বিকাশ তথা উদ্যমিতা মন্ত্ৰালয়ৰ বিবৃতিত প্ৰকাশ পোৱা অনুসৰি ৬০ হাজাৰ কোটি টকাৰ ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰতিষ্ঠানসমূহৰ বিষয়ে ২০২৪-২৫ তথা ২০২৫-২৬ বৰ্ষৰ বাজেটত ঘোষণা কৰা হৈছিল। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্য চৰকাৰসমূহ তথা উদ্যোগ খণ্ডৰ সহযোগিতাত বৰ্তমানৰ আই টি আই সমূহক চৰকাৰী মালিকানাধীন তথা উদ্যোগ খণ্ডৰ ব্যৱস্থাপনাৰ অধীনৰ দক্ষতাৰ অভিলাষী প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলা হ'ব। তদুপৰি প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট সমিতিয়েও শক্তি খণ্ডত কয়লাৰ মঞ্জুৰী নীতিৰ বাবে শক্তি নীতিৰ সংশোধনত অনুমোদন জনায়।

ooooooooo

দেশে যুৱচাম, উদ্যমী তথা ষ্টাৰ্টআপসমূহৰ বাবে মহাকাশ খণ্ড মুকলি কৰি দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই কথা প্ৰকাশ কৰিছে। দেশত ২৫০ টাতকৈও অধিক মহাকাশ ষ্টাৰ্টআপ থকাৰ লগতে এইসমূহে উপগ্ৰহ প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত বৰঙণি যোগাই আহিছে।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত